# অসমত হিন্দু আৰু মুছলমান—এক বিৰল সম্পৰ্ক

**গগন চেতিয়া**

মহামাৰী ক'ভিড-১৯ৰ সময়ত আমাৰ দেশত দুটা বিষয়ত অনেক বাক-বিতণ্ডা আৰু চৰ্চা হোৱা দেখা গৈছে। বিষয় দুটা হৈছে—হিন্দু আৰু মুছলমান। হিন্দু আৰু মুছলমানৰ ধৰ্মক লৈ ৰাজনীতিও চলিছে। হিন্দু ধৰ্মীয় এচামে মুছলমানৰ নাম শুনিলেই দাং খাই উঠে। ভাষা আৰু ধৰ্ম শব্দ দুটা অতি স্পৰ্শকাতৰ। এই শব্দ দুটাই সমাজক একত্ৰিত কৰে, খণ্ড-বিখণ্ডও কৰে। স্বাধীনতাৰ পাছত ভাৰতবৰ্ষত ভাষাৰ ভিত্তিত ৰাজ্য গঠন হৈছিল। ধৰ্মৰ ভিত্তিত আকৌ ভাৰত দ্বিখণ্ডিত হ'ল। দ্বিখণ্ডিত হোৱাৰ মূল বীজ ধৰ্মৰ বিষবাষ্প এতিয়াও নিষ্পত্তি হোৱা নাই। অসমত ধৰ্মৰ নামত আখৰা আজিও চলি আছে। অনেকেই উজনি আৰু নামনিৰ মুছলমান একে বুলি ভুল ধাৰণা লৈ আছে। উজনিৰ মুছলমান আৰু নামনিৰ মুছলমানৰ ধৰ্মহে একে। বাকী কিছুমান সংস্কৃতিৰ তাৰতম্য আছে। মোগলে ১৭বাৰ অসম আক্ৰমণ কৰাৰ কাহিনী ইতিহাসৰ পাতত জিলিকি আছে। আহোম সেনাৰ হাতত মোগলৰ কিছু সৈন্য বন্দী হৈছিল। সেইসকল কালক্ৰমত অসমৰ বাসিন্দা হৈ স্থানীয় লোকৰ লগত বৈবাহিক সম্বন্ধ ঘটিল। তেওঁলোকৰ সতি-সন্ততিসকল উজনি অসমৰ মুছলমান। আনহাতে নামনি অসমৰ কোচ-ৰাজবংশীৰপৰা ধৰ্মান্তৰিত হোৱা দেশী মুছলমান আৰু যুদ্ধবন্দী হিচাপে থাকি যোৱাসকলৰ সতি-সন্ততিৰ বাহিৰে বেছিখিনিয়েই বংগ দেশৰ পৰা অহা মুছলমান। মোগল সেনাৰ বিৰুদ্ধে যুদ্ধ কৰোঁতে কেৱল আহোম সেনাই যুদ্ধ কৰা নাছিল। মাতৃভূমিৰ অখণ্ডতা আৰু নিৰপেক্ষতাৰ খাতিৰত মুছলমান সেনাসকলেও ৰণ কৰিছিল। আহোম ৰজাসকলে তেওঁলোকৰ দায়িত্ব অনুসাৰে বৰা, শইকীয়া, হাজৰিকা উপাধি দিছিল। সেই উপাধি আজিও আছে উজনি অসমৰ মুছলমানৰ।

শিৱসাগৰ জিলাৰ (অবিচ্ছেদ্য) মুছলমান আৰু হিন্দুৰ মাজত এসময়ত অতি মধুৰ সম্পৰ্ক আছিল। বৰ্তমান ৰাজনীতিৰ কূটকৌশলত সামান্য সলনি হৈছে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কথা সাহিত্যিক আৰু শিৱসাগৰ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইমৰান শ্বাহে তেখেতৰ এটা প্ৰবন্ধত উল্লেখনীয় কাহিনী দাঙি ধৰিছে। তেখেতে কৈছে—"শিৱসাগৰৰ হিন্দু আৰু মুছলমানৰ মাজত সংস্কৃতিৰ আদান-প্ৰদান অতি পুৰণি আৰু ইমানেই মধুৰ আছিল যে যোৱা শ শ বছৰ ধৰি দুয়োটা সম্প্ৰদায়ৰ মানুহৰ মাজত দাঁতে-ওঁঠে লগাৰ কথা কোনেও ক'ব নোৱাৰে। শিৱসাগৰৰ হিন্দুৰ ঘৰত মুছলমান নিমন্ত্ৰিত হৈ ইফটাৰ কৰা, নামাজ পঢ়া দেখা যায়। হিন্দু মালিকৰ বিবাহ ভৱনত মুছলমান দৰা-কইনাৰ নিকাহ পৰ্যন্ত হয়। আজান ফকীৰৰ কবৰৰ খবৰ দিওঁতাৰ অন্যতম এজন হিন্দু আছিল। হিন্দু অধ্যুষিত অঞ্চলত থকা দৰগাহ, মাজাৰ আদি হিন্দু মানুহেই চোৱা-চিতা কৰিছিল। পাছতহে কমিটি হৈছিল। আহোম ৰজাৰ ৰাজপ্ৰসাদ ৰংপুৰত, গড়গাঁৱত, তলাতল ঘৰৰ চৌপাশে আঠ-নখন মুছলমান গাঁও। অতি পুৰণি গাঁও। বাসিন্দাসকল শইকীয়া, হাজৰিকা আদি। শিৱসাগৰীয়াই সদায় মুছলমানসকলক আপোন বুলি ভাবি আহিছে। বাঘ হাজৰিকা বা ঘনশ্যামৰ কথাও কোনোবাই ভাবিব পাৰে। শিৱসাগৰত হিন্দু-মুছলমানৰ যিটো সংমিশ্ৰণ সেইটো আনত পোৱা কঠিন। মোৰ আশী বছৰীয়া মায়ে ডাঙৰকৈ কথা ক'লে 'ভোৰতাল নবজাবি' বুলি ডবিয়াইছিল। জিকিৰক প্ৰথম পোহৰলৈ অনা ব্যক্তিজন হিন্দু মানুহ। পৰাগধৰ চলিহা ছাৰে এদিন আমি ভাত খাই থাকোঁতে সোমাই আহি অমিতাৰ খাৰ দেখি এচামুচ খাই কৈছিল বাঃ; একেবাৰে হেন্দুৰে বনোৱাদি বনাইছে। মই আৰু মালিক ককাইটি দুয়ো একেলগে বহি ড° কৃষ্ণ মিশ্ৰৰ ঘৰত মিশ্ৰৰ বৌটিয়েকে বাঢ়ি দিয়া ভাত খাইছোঁ। মোৰ ঘৰত এবাৰ এজনী হিন্দু ছোৱালী বিপদত পৰাত দুমাহ আশ্ৰয় দিব লগা হৈছিল। তাই মোৰ পৰিবাৰৰ লগত পাকঘৰত ৰন্ধা-বঢ়াও কৰিছিল। মুছলমান অধ্যুষিত গাঁৱৰ ওচৰৰ হিন্দুৰ মৃত্যু হ'লে মুছলমান ল'ৰাই মুখাগ্নিৰ বাহিৰে সকলো কাম কৰি দিয়ে।"

সংবাদ মাধ্যমত প্ৰকাশ পোৱা বাতৰি কেইটামানৰ ভিত্তিত কওঁ—যোৱা ঈদৰ (২০২০) সময়ত গুৱাহাটীৰ এজন মিস্ত্ৰিয়ে মাজুলীত কাম কৰি থাকোঁতে লকডাউন হ'ল আৰু আহিব নোৱাৰিলে। হিন্দু গৃহস্থই চেলেং চাদৰ পাৰি আথে-বেথে মুছলমান মিস্ত্ৰিজনক ইফটাৰ দিওঁতে হিন্দু গৃহস্থ-গৃহস্থনীয়ে সেৱা জনাই ইছলাম ধৰ্মক সন্মান জনোৱা দৃশ্য টিভিত প্ৰদৰ্শন হৈছিল। ইয়াক লৈ এচাম হিন্দুত্ব পন্থীয়ে সমালোচনা কৰা দেখা গৈছিল। জয়সাগৰৰ ওচৰৰ এখন হিন্দু গাঁৱৰ নতুন নামঘৰ নিৰ্মাণ কৰোঁতে ওচৰৰ বয়োজ্যেষ্ঠ মুছলমান এজনক আমন্ত্ৰণ জনাই লাইখুঁটা স্থাপন কৰিছিল। মুছলমান অধ্যুষিত গাঁৱৰ ওচৰৰ অকলশৰীয়া হিন্দুৰ মৃত্যুত মুছলমান ডেকাই সৎকাৰ কৰাৰ বাতৰি অনেক পোৱা যায়। আৰক্ষী বিষয়া আৰু সাহিত্যিক খবিৰ আহমেদৰ মৃত্যুৰ বাতৰি পাই তেখেতৰ শিক্ষাগুৰু আৰু আমাৰ সম্বন্ধীয় মাণিক ফুকনে কমাৰগাঁৱৰপৰা পুৱাই ট্ৰাকত উঠি আহি খবিৰ আহমেদৰ ঘৰত ১১ বজাত উপস্থিত হৈ দুপৰীয়া আহাৰ গ্ৰহণ কৰি জানাজা সম্পন্ন কৰি ৰাতিটো আমাৰ ঘৰত কটাই পাছদিনা কমাৰগাঁৱলৈ ৰাওনা হৈছিল। মাণিক ফুকনে পৰিয়ালসহ তেখেতৰ প্ৰিয় ছাত্ৰ খবিৰ আহমেদৰ ঘৰত দুই-তিনিদিন থাকিহে আমাৰ ঘৰলৈ খবিৰৰ সৈতে আহে। এসময়ৰ শিৱসাগৰ জিলাৰ অতিৰিক্ত উপায়ুক্ত যোৰহাট নিবাসী নুৰুল হক ছাৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সচিব হৈ থাকোঁতে তেখেতৰ ঘৰত আমি পৰিয়ালসহ ঈদ খাওঁ আৰু মাঘৰ বিহুত ছাৰৰ পৰিয়ালে আমাৰ ঘৰত ভাত খায়। এনে ধৰণৰ বহুত উদাহৰণ আছে। শিৱসাগৰৰ হিন্দু-মুছলমানৰ মধুৰ সম্পৰ্কত এতিয়া ঘুণে ধৰাৰ চেষ্টা চলাইছে নাগপুৰ পন্থীয়ে। শিৱসাগৰীয়া হিন্দু-মুছলমানে শ শ বছৰীয়া মধুৰ সম্পৰ্ক অটুট ৰখাৰ চেষ্টা কৰা উচিত।

ঠিকনা ঃ ৰাজগড়, গুৱাহাটী-৭৮১০০৭

## সম্পূৰ্ণ নাম-ঠিকনা দিব

আমি ইতিপূৰ্বে অনুৰোধ কৰা সত্ত্বেও প্ৰান্তিকৰ বহুসংখ্যক লেখকে লেখাসমূহ আমালৈ পঠাওঁতে লেখাটোৰ লগত নিজৰ নাম-ঠিকনা সম্পূৰ্ণৰূপে নিদিয়ে। পঢ়িব পৰাকৈ স্পষ্ট আখৰেৰে, PIN CODEসহ সম্পূৰ্ণ নাম-ঠিকনা আৰু ফোন নম্বৰ নথকা লেখাসমূহ প্ৰকাশৰ বাবে বিবেচনা কৰাত আমাৰ অসুবিধা হয়। বিশেষকৈ অসম্পূৰ্ণ ঠিকনা দিয়াৰ বাবে বহুতো লেখকে আমি ডাকযোগে পঠোৱা তেখেতৰ লেখা প্ৰকাশ পোৱা প্ৰান্তিকৰ সংখ্যাটো নোপোৱাকৈ থাকে।

—**সম্পাদক**, প্ৰান্তিক